পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 525 দিশপুৰ, সোমবাৰ, 7 ছেপ্টেম্বৰ, 2026, 16 ভাদ, 1948 (শক)

No. 525 Dispur, Monday, 7th September, 2026, 16th Bhadra, 1948 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 7th September, 2026

**No. LGL.02/2024/13.–** The following Act of the Assam Legislative Assembly which received the assent of the Hon'ble Governor of Assam on 6th September, 2026 is hereby published for general information.

**ASSAM ACT NO. XXI OF 2026**

**(Received the assent of the Hon'ble Governor of Assam on 6th September, 2026)**

## THE ASSAM TOURISM (DEVELOPMENT & REGISTRATION) (AMENDMENT) ACT, 2026

# AN ACT

further to amend the Assam Tourism (Development & Registration) Act, 2024.

Preamble

Whereas it is expedient further to amend the Assam Tourism (Development & Registration) Act, 2024 hereinafter referred as the principal Act in the manner hereinafter appearing; Assam Act No. XIII of 2024

It is hereby enacted in the Seventy-seventh Year of the Republic as follows:—

Short title, extent and commencement

1. (a) This Act shall be called The Assam Tourism (Development & Registration) (Amendment) Act, 2026.

(b) It shall have the like extent as the principal Act.

(c) It shall come into force at once.

Amendment of section 9

2. In the principal Act, in section 9, after the sub-section (2), the following sub-section (3) shall be inserted, namely:-

"Power to order closure of any service

(3) If after removal of an applicant's name from the register under this Act, any service provider continues to provide tourism services in contravention of this Act, the Authority shall order closure of such tourism services forthwith apart from imposing penalty as per provisions of this Act."

Insertion of section 18A

3. In the principal Act, after section 18, the following new section 18A shall be inserted, namely—

"Reporting of the persons using accommodation to services jurisdictional Police authority

18A. Every service provider, engaged in providing tourist accommodation services like Hotels, Motels, Resorts, Service Apartments, Heritage Bungalows, Homestays, Bed and Breakfast, Tented Accommodation and any such services, shall maintain visitors register, in such form as may be prescribed and shall report to the jurisdictional Police Authority, about every such person who resorted to accommodation services during the preceding day or night."

Insertion of section 24A

4. In the principal Act, after section 24, the following new section 24A shall be inserted, namely:—

"Power to realize the penalty in case of default

24A. In the event of default in payment of the fine by any service provider, the fine amount imposed on the service provider for contravening any provision of this Act, shall be treated as revenue arrear due to the Government and the same shall be realized in the manner as prescribed in the Bengal Public Demands Recovery Act, 1913." Bengal Act.III of 1913

Repeal and savings

5. (1) The Sarais Act, 1867 is hereby repealed to the extent relating to the State of Assam. Act No XXII of 1867

(2) Notwithstanding such repeal, anything done or any action taken under the Act, so repealed, shall be deemed to have been validly done or taken under the provisions of this Act and shall continue to have effect accordingly unless and until superseded by any action taken or anything done under this Act.

(3) All references in any enactment to any of the provisions of this Act so repealed shall be confirmed as references to the corresponding provisions of this Act.

**MEHBOOBA BEGUM,**

Joint Secretary (Secretary In Charge) to the Government of Assam,
Legislative Department, Dispur.

## ২০২৬ চনৰ অসম অধিনিয়ম নং ২১

## (২০২৬ চনৰ ৬ ছেপ্টেম্বৰ তাৰিখে অসমৰ মাননীয় ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

# অসম পৰ্যটন (উন্নয়ন আৰু পঞ্জীয়ন) (সংশোধন) অধিনিয়ম, ২০২৬

**এখন**

**অধিনিয়ম**

**৭ ছেপ্টেম্বৰ, ২০২৬**

অসম পৰ্যটন (উন্নয়ন আৰু পঞ্জীয়ন) অধিনিয়ম, ২০২৪ ক পৰৱৰ্তী সংশোধন কৰাৰ বাবে।

প্ৰস্তাৱনা — যিহেতু অসম পৰ্যটন (উন্নয়ন আৰু পঞ্জীয়ন) অধিনিয়ম, ২০২৪, মূল অধিনিয়ম বুলি যিখন ইয়াৰ পিছত উল্লেখিত হৈছে, ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে সংশোধন কৰাটো কালোচিত ; (২০২৪ চনৰ অসম অধিনিয়ম নং XIII)

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ সাতসত্তৰতম বৰ্ষত ইয়াক নিম্নলিখিত ধৰণেৰে অধিনিয়মিত কৰা হৈছে :—

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ

১। (ক) এই অধিনিয়মখন অসম পৰ্যটন (উন্নয়ন আৰু পঞ্জীয়ন) (সংশোধন) অধিনিয়ম, ২০২৬ বুলি অভিহিত হ'ব।

(খ) ইয়াৰ বিস্তাৰ মূল অধিনিয়মৰ দৰে হ'ব।

(গ) ই তাৎক্ষণিকভাৱে বলবৎ হ'ব।

ধাৰা ৯ ৰ সংশোধন

২। মূল অধিনিয়মত, ধাৰা ৯ ত, উপ-ধাৰা (২) ৰ পিছত, নিম্নলিখিত উপ-ধাৰা (৩) অন্তঃস্থাপিত হ'ব, যথা:-

"কোনো সেৱা বন্ধ কৰাৰ আদেশ দিয়াৰ ক্ষমতা

(৩) যদি এই অধিনিয়মৰ অধীনত কোনো আবেদনকাৰীৰ নাম পঞ্জীৰ পৰা আঁতৰোৱাৰ পিছতো, কোনো সেৱা প্ৰদানকাৰীয়ে এই অধিনিয়ম উলংঘা কৰি পৰ্যটন সেৱা প্ৰদান কৰি থাকে, তেন্তে প্ৰাধিকাৰীয়ে এই অধিনিয়মৰ উপবন্ধাৱলী অনুসৰি জৰিমনা আৰোপ কৰাৰ উপৰিও এনে পৰ্যটন সেৱা তৎক্ষণাত বন্ধ কৰাৰ আদেশ পাৰিত কৰিব।"

ধাৰা ১৮ক স্থাপন

৩। মূল অধিনিয়মত, ধাৰা ১৮ ৰ পিছত, নিম্নলিখিত নতুন ধাৰা ১৮ক স্থাপন হ'ব, যথা:-

"থকা-মেলাৰ সেৱা প্ৰাপ্ত ব্যক্তিসকলৰ সন্দৰ্ভত অধিকাৰক্ষেত্ৰ থকা আৰক্ষী প্ৰাধিকাৰীক অৱগত কৰা

১৮ক। পৰ্যটন আৱাস সেৱাসমূহ যেনে হোটেল, ম'টেল, ৰিজ'ৰ্ট, সেৱা এপাৰ্টমেণ্ট, ঐতিহ্যবাহী বাংলো, হোমষ্টে, পুৱাৰ জলপান, তম্বু আৱাস আৰু এনে কোনো সেৱা প্ৰদানত নিয়োজিত প্ৰতিজন সেৱা প্ৰদানকাৰীয়ে যথাবিহিত ৰূপত দৰ্শনাৰ্থীৰ পঞ্জী ৰাখিব লাগিব আৰু পূৰ্বৱৰ্তী দিন বা ৰাতিৰ ভিতৰত আৱাস সেৱাসমূহ গ্ৰহণ কৰা এনে প্ৰতিজন ব্যক্তিৰ বিষয়ে অধিকাৰক্ষেত্ৰ থকা আৰক্ষী প্ৰাধিকাৰীক অৱগত কৰিব লাগিব।"

ধাৰা ২৪ক স্থাপন

৪। মূল অধিনিয়মত, ধাৰা ২৪ ৰ পিছত, নিম্নলিখিত নতুন ধাৰা ২৪ক স্থাপন হ'ব, যথা:-

"গাফিলতিৰ ক্ষেত্ৰত জৰিমনা আদায় কৰাৰ ক্ষমতা

২৪ক। কোনো সেৱা প্ৰদানকাৰীয়ে জৰিমনা পৰিশোধত গাফিলতি কৰাৰ ক্ষেত্ৰত, এই অধিনিয়মৰ কোনো উপবন্ধ উলংঘনৰ বাবে সেৱা প্ৰদানকাৰীৰ ওপৰত আৰোপ কৰা জৰিমনাৰ পৰিমাণ, চৰকাৰক দেয় ৰাজহ বকেয়া হিচাপে গণ্য কৰা হ'ব আৰু বেংগল লোক দাবী আদায় অধিনিয়ম, ১৯১৩ ত যথাবিহিত ধৰণেৰে সেইখিনি আদায় কৰা হ'ব।" (১৯১৩ চনৰ বেংগল অধিনিয়ম নং III)

বাতিল আৰু সংৰক্ষণ

৫। (১) ইয়াৰ দ্বাৰা চৰাইজ অধিনিয়ম, ১৮৬৭ ৰ অসম ৰাজ্যত ইয়াৰ বিস্তৃতি বাতিল কৰা হৈছে। ১৮৬৭ চনৰ অধিনিয়ম নং XXII

(২) এনে বাতিলৰ স্বত্তেও, এনেদৰে বাতিলকৃত অধিনিয়মখনৰ অধীনত কৰা কোনো কাম বা গ্ৰহণ কৰা কোনো কাৰ্য্যব্যৱস্থা, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অধীনত বৈধভাৱে কৰা বা গ্ৰহণ কৰা বুলি গণ্য কৰা হ'ব আৰু সেই অনুসৰি কাৰ্য্যকাৰিতা অব্যাহত থাকিব যেতিয়ালৈকে এই অধিনিয়মৰ অধীনত গ্ৰহণ কৰা কোনো কাৰ্য্যব্যৱস্থা বা কৰা কোনো কামৰ দ্বাৰা বাতিল কৰা নহয় ।

(৩) এনেদৰে বাতিলকৃত এই অধিনিয়মখনৰ কোনো উপবন্ধৰ প্ৰতি কোনো অধিনিয়মনত থকা সকলো প্ৰসংগ নিৰ্দেশ এই অধিনিয়মৰ অনুৰূপ উপবন্ধাৱলীৰ প্ৰতি প্ৰসংগ নিৰ্দেশ হিচাপে ব্যাখ্যা কৰা হ'ব।

**মেহবুবা বেগম,**
যুটীয়া সচিব (ভাৰপ্ৰাপ্ত সচিব), অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No.1049 - 10 + 50 - 07 - 09 - 2026. (visit at– dpns.assam.gov.in)